**SET – 4**

**Series : TYM**

**Code No. 15**

**Roll No.** | | | | | | | |

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains **7** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **12** questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘন্টা* — *সৰ্বমুঠ নম্বৰ : 80*

*Time allowed : 3 Hours* — *Maximum Marks : 80*

***General Instructions :***

The questions paper is divided into four sections :

| | |
|---|---|
| SECTION A : Reading (Comprehension) | 15 marks |
| SECTION B : Writing | 25 marks |
| SECTION C : Grammar | 15 marks |
| SECTION D : Literature | 25 marks |

## SECTION – A

1. তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা –

সময় অমূল্য বস্তু । সময়ৰ নিমিত্তে যিমান কৃপণ হ'ব লাগে ধনৰ নিমিত্তে সিমান হ'ব নালাগে । সময় নদীৰ নিচিনা । নদী সদায় চলিয়েই থাকে, এক মুহূৰ্তকো নৰয় । সময়ো সদায় চলিয়ে থাকে, অলপো নৰয় । নদীয়ে কালৈকো বাট নাচায়, সময়েও কালৈকো বাট নাচায় । নদী এবাৰ গলে নোভতে; সময়ো এবাৰ গ'লে নোভতে । নদীৰ বৰ বেগ; সময়ৰো বৰ বেগ । উন্নতি, ঐশ্বৰ্য্য, গৌৰৱ সকলো সময়ৰ তল । সময়ৰ সদ্ব্যৱহাৰ কৰিলে সকলো উন্নতি হয়; কিন্তু যি সময়ৰ মূল্য নেজানি তাৰ অপব্যয় কৰে, সি কোনো কাম সাধিব নোৱাৰে ।

সময়ৰ সদ্ব্যৱহাৰ কৰিবৰ হলে তাৰ ভাগ ভাগ কৰি ল'ব লাগে; আৰু যি ভাগত যি কাম কৰা সুৱিধা হয়, সেই ভাগত সেই কাম কৰিব লাগে । এইদৰে সময় ভাগ কৰি ছাত্ৰবিলাকে এভাগত সাহিত্য, এভাগত ব্যাকৰণ, এভাগত ভূগোল-বিদ্যা আৰু আন কিছুমান ভাগত আন আন পুথি পাঠ কৰিব পাৰে । তদুপৰি বিশ্ৰাম, ব্যায়াম, ধেমালি, ৰোগীৰ শুশ্ৰূষা, দেশৰ উন্নতি আদি আমাৰ যিবোৰ আন আন কৰ্তব্য কাম আছে, সেই বিলাকৰ নিমিত্তে ও আমি অলপ সময় ব্যয় কৰিব পাঁও । এইৰূপে যি সময় বিভাগ কৰা যায়, সদায় সেই মতে কাৰ্য্য কৰিব লাগে, সেই ভাগত আন কাম কৰা বা কোনো কাম নকৰাকৈ থকা বৰ অনুচিত । যি কামত যিমান সময়ৰ প্ৰয়োজন, সেই কামত সিমান সময় দিব লাগে । এনেদৰে কাম কৰিলে অলপ সময়তে বহুত কাম কৰিব পৰা যায় আৰু সময়ৰ অপব্যয় নহয় ।

আমাৰ জীৱনৰো স্বাভাৱিকতে কিছুমান ভাগ আছে; যেনে - ল'ৰাকাল, ডেকাকাল, বুঢ়াকাল । ইহ'তৰ এক এক ভাগত কোনো কোনো কাম ভালকৈ কৰিব পৰা যায়। ডেকা কালত বল-বুদ্ধি বেচি হোৱাত বেচিকৈ ধন উপাৰ্জ্জন কৰিব পাৰি; ল'ৰাকাল আৰু বুঢ়াকালত সিমান নোৱাৰি । ডেকা-কালত যি ধন উপাৰ্জ্জন নকৰে নাইবা কৰিলেও তাৰ অপব্যয় কৰি ভৱিষ্যতলৈ অলপ সাঁচি নথয়; সি বুঢ়া কালত বৰ দুখ পায় ।

ল'ৰাকাল বিদ্যা শিক্ষাৰ উপযুক্ত সময় । সেইকালত সাংসাৰিক কামত লিপ্ত হ'ব নালাগে । সেই নিমিত্তে বিদ্যা শিকিবলৈ অনেক সময় পোৱা যায় । ল'ৰা মানুহৰ বুদ্ধিও চোকা আৰু যেনি চলোৱা তেনি যাব পাৰে । ল'ৰা কালৰে পৰা নঘঁহিলে বুদ্ধি বেজি ভোঁতা হয়; পাছত বৰ সহজ বিষয়ত লগালেও সি তাত সোমাব নোৱাৰি উভতি আহে । ডেকাকালত কাম, ক্ৰোধ, লোভ, অহঙ্কাৰ আদি ৰিপু বিলাকে বৰ দুৰ্দ্দান্ত হোৱাত শিক্ষাৰ বৰ বাধা হয়; তেতিয়া আমাৰ মন বিদ্যাতকৈ সুখ-সম্ভোগ আৰু ধন ঐশ্বৰ্য্যলৈহে বেচি ব্যগ্ৰ হয় । এইবিলাক কাৰণতে ল'ৰাকালেই বিদ্যা শিক্ষাৰ যোগ্য সময় । যি ল'ৰাই যত্নেৰে সহিতে সৰু কালত বিদ্যা নিশিকি পাছে শিকিবলৈ আশা কৰে, সি তাৰপৰা সমূলি বঞ্চিত হয়; সি বিদ্যা মন্দিৰত প্ৰৱেশ নৌকৰোতেই সংসাৰ ক্ষেত্ৰত প্ৰৱেশ কৰিবলগীয়া হয় । ল'ৰাকালত বিদ্যালৈ অৱহেলা কৰা বাবে সি পাছত জীৱিকা উলিয়াবৰ একো উপায় নাপায় আৰু যাৱজ্জীৱন দুখ-ভোগ কৰে ।

সকলো কাম উচিত সময়ত কৰিব লাগে । আজি যি কাম কৰিব পৰা যায়, তাক কৰিবলৈ ৰাখিলে সি হৈ নুঠিকত পাৰে । সেয়ে কোনো উপস্থিত কাৰ্য্য কৰিবলৈ বিলম্ব কৰা অনুচিত ।

সময়ৰ সদ্ব্যৱহাৰ কৰাৰ এটি প্ৰধান উপায় এয়ে যে আমি প্ৰতিদিনে যিবিলাক কাৰ্য্য কৰো সেই বিলাক এখন বহীত লিখি যাব লাগে । প্ৰতি মাহৰ প্ৰতি দিনে আমি কি কি কাম কৰো সেই কথা বহীত লিখি থোৱা উচিত । এই কাকতখন পঢ়ি চালে আমি কেতিয়া কিদৰে সময়ৰ সদ্ ব্যৱহাৰ কৰো আৰু কেতিয়া তাৰ অপব্যয় কৰো, কেতিয়া ভাল কাম কৰো, কেতিয়া মন্দ কৰো, আদি কথা জানিব পৰা যায়; এই ৰূপে কৰিলে সময়ৰ সদ্ব্যৱহাৰ আৰু সৎকৰ্ম কৰিবলৈ আমাৰ ইচ্ছা হ'ব । সময়ৰ অপব্যয় আৰু অসৎ কৰ্মৰ নিমিত্তে আমাৰ মনত অনুতাপ লাগিব । ইয়াৰ দ্বাৰা সময়ৰ সদ্ ব্যৱহাৰ, চৰিত্ৰৰ সংশোধন আৰু জীৱনৰ উন্নতি কৰিব পাৰি ।

| | | |
|---|---|---|
| (i) | সময়ক কিয় নৈৰ লগত তুলনা কৰিছে ? | 2 |
| (ii) | সময়ক কিদৰে ভাগ ভাগ কৰা হয় ? | 2 |
| (iii) | ডেকা কালত কিয় ধন উপাৰ্জ্জন কৰিব লাগে ? | 2 |
| (iv) | ল'ৰাকালক বিদ্যা-শিক্ষাৰ উপযুক্ত সময় বুলি কিয় কয় ? | 2 |
| (v) | কিয় সকলো কাম উচিত সময়ত কৰিব লাগে ? | 2 |
| (vi) | সময়ৰ সদ্ ব্যৱহাৰ কৰিবলৈ হলে প্ৰথমতে কি কৰা উচিত ? | 2 |
| (vii) | অনুচ্ছেদটোত "অপ" উপসৰ্গ লগলাগি থকা শব্দ এটা লিখা । | 1 |
| (viii) | বিপৰীত অৰ্থবোধক শব্দ লিখা - কৃপণ | 1 |
| (ix) | সন্ধি ভাঙা - উন্নতি | 1 |

## SECTION – B

2. (ক) তলত দিয়া সংকেত বাক্যৰ সহায়ত এটা গল্প লিখা – গল্পটোৰ শিৰোনামা আৰু নীতিশিক্ষা লিখা – **2 + 8 + 2 = 12**

গছৰ ওপৰত এজনী কাউৰী - মুখত মঙহ - গছৰ তলত লুভীয়া শিয়াল – মঙহ টুকুৰালৈ লোভ – কাউৰীৰ প্ৰশংসা কৰিলে – প্ৰশংসা শুনি কাউৰীয়ে ভাল পালে – গীত গাবলৈ মুখ মেলিলে – মঙহ টুকুৰা মাটিত পৰিল – শিয়ালে মঙহ লৈ হাবিৰ মাজলৈ দৌৰিলে –

**নাইবা**

(খ) তলত দিয়া যিকোনো **এটা** বিষয় লৈ দুশমান শব্দৰ ভিতৰত এখন ৰচনা লিখা – **12**

(i) যিকোনো এটা ৰাষ্ট্ৰীয় উৎসৱ

(ii) নিয়মানুৱৰ্তিতা

3. "আদৰ্শ বিদ্যালয়" ত পালন কৰা "শিশুদিৱস" ৰ দিনটোৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । **8**

4. তলত দিয়া যিকোনো **এটা** ফকৰা-যোজনা বুজাই লিখা । **5**

(ক) উপকাৰীক অজগৰে খায়

(খ) গোৰ মাৰি গংগাত পেলোৱা

**নাইবা**

(গ) তোমাৰ বাবে প্ৰয়োজনীয় এখন কিতাপ বিচাৰি তোমাৰ বন্ধুলৈ এখন চিঠি লিখা । (চিঠিত তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখা) **5**

## SECTION – C

5. (ক) "অধিবাসী" শব্দটোত থকা উপসৰ্গ বাচি উলিয়াই লিখা । **1**

(খ) যিকোনো এটা অনুসৰ্গ ব্যৱহাৰ কৰি বাক্যৰচনা কৰা । **1**

(গ) ডাৰি(1) চিন ব্যৱহাৰ কৰি এটা বাক্যৰচনা কৰা । **1**

(ঘ) এটা শব্দত প্ৰকাশ কৰা – **1**

যি পৰৰ ওপৰত নিৰ্ভৰ কৰি চলে :

(ঙ) বিপৰীতাৰ্থক শব্দ লিখা - আশীৰ্বাদ **1**

(চ) লিংগ পৰিৱৰ্তন কৰা - ৰাণী **1**

(ছ) শুদ্ধ উত্তৰটো লিখা – **1**

টেঙৰালি **–** টেঙৰা + আলি / টেঙৰ + আলি / টেঙৰ + অলি

(জ) সন্ধি ভাঙা – (যিকোনো **দুটা**) **1 × 2 = 2**

(i) উদগতি

(ii) সদাশয়

(iii) দুৰ্নীতি

(ঝ) বাক্য শুদ্ধ কৰা – **1 × 2 = 2**

(i) শেৱালি ফুল ৰাতি ফুটে ।

(ii) আজি দিনটো বৰ জহ পৰিছে ।

(ঞ) বাক্য পৰিবৰ্তন কৰা – **1 × 2 = 2**

(i) তেওঁ যে চোকা ল'ৰা, মই আগতে নাজানিছিলো । (সৰল বাক্যলৈ)

(ii) পৰিশ্ৰম কৰিলেহে উন্নতি কৰিব পাৰিবা । (যৌগিক বাক্যলৈ)

(ট) সমাৰ্থক শব্দ লিখা – (**এটাকৈ**) **1 × 2 = 2**

(i) চকু

(ii) ইচ্ছা

## SECTION – D

**(গদ্যভাগ)**

6. তলত দিয়া যিকোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখা – **4 × 2 = 8**

(ক) একোজন শিল্পীয়ে তেওঁৰ তুলিকা চালনাত কৌশল প্ৰয়োগ কৰি মানুহৰ মনত কেনে ধাৰণাৰে বিশ্বাস জন্মায় তাক বুজাই লিখা ।

(খ) তাৎপৰ্য বুজাই লিখা –

এই গোটেইবোৰ হ'ল স্বত:প্ৰণোদিত ভাৱে হোৱা প্ৰক্ৰিয়া

(গ) “দিনৰ বাৰমান বজাৰপৰা তাৰ মনত এক চিন্তাই বাহ লৈছে” – কাৰ মনত কি চিন্তাই বাহ লৈছে ? সেই চিন্তাৰ কাৰণ কি আছিল বৰ্ণনা কৰা ।

(ঘ) লণ্ডন ৰয়েল ছ’চাইটি কেতিয়া স্থাপন হৈছিল ? এই ছ’চাইটিৰ লগত নিউটন কেনেদৰে জড়িত হৈছিল বুজাই লিখা ।

7. চমু উত্তৰ দিয়া – (যিকোনো **এটাৰ**) **2 × 1 = 2**

(ক) নিউটনে কোনখন বিশ্ববিদ্যালয়ত পঢ়িছিল ? তেওঁ পঢ়াৰ খৰচ উলিয়াবলৈ কি কাম কৰিছিল ?

(খ) বৰুৱা চাৰৰ বাইদেৱে কিয় পাটৰ কাপোৰ এযোৰ কিনিছিল ?

(গ) য়াণ্ডাবু সন্ধিৰ ফলাফল কি আছিল ?

(ঘ) আশ্ৰমত শকুন্তলাই কি কি দেখিছিল ?

**(পদ্যভাগ)**

8. উত্তৰ লিখা – (যিকোনো **এটা**) **4 × 1 = 4**

(ক) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা –

আতুৰ ভৈলোহো হৰি বিষয় বিকলে ।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে ।।

(খ) পাণী মৰে পিয়াহত, অগ্নি মৰে জাৰত
খোদা ৰছুল লুকাই আছে মোমিনৰ আঁৰত ।।
– বুজাই লিখা

(গ) বহাগীৰ বিয়া উপলক্ষে প্ৰকৃতিৰ কি কি পৰিৱৰ্তন হৈছে বুজাই লিখা ।

(ঘ) “মোৰ দেশ মানুহৰ দেশ” কবিতাটোৰ মাজেৰে কবিৰ স্বদেশপ্ৰেম কিদৰে প্ৰকাশ পাইছে বৰ্ণনা কৰা ।

9. চমু উত্তৰ দিয়া (যিকোনো **দুটাৰ**) – **2 × 2 = 4**

(ক) চমুটোকা - শৰাইঘাট

(খ) ৰঘুনাথ চৌধাৰীক কিয় বিহগী কবি আখ্যা দিয়া হৈছে ?

(গ) আজান ফকিৰৰ বিষয়ে লিখা ।

(ঘ) নৱবৈষ্ণৱ ধৰ্মক সাধাৰণ মানুহৰ কাষ চপাই নিবলৈ মাধৱদেৱে কি কৰিছিল ?

10. এশাৰীত উত্তৰ লিখা – (যিকোনো **দুটাৰ**) **1 × 2 = 2**

(ক) মাধৱদেৱৰ ভণিতা থকা কিমানটা বৰগীত পোৱা গৈছে ?

(খ) “জিকিৰ” শব্দৰ মূল অৰ্থ কি ?

(গ) “চোঁৱৰ” কি ?

(ঘ) দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতাপুথিখনৰ নাম লিখা ।

**অতিৰিক্ত পাঠ**

11. যিকোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা – **2 × 1 = 2**

(ক) প্ৰেৰণাই সুলেখাক কেনেদৰে মৃত্যুসম দুৰ্ঘটনাৰ পৰা বচালে ?

(খ) স্কুল গেইট পোৱাৰ লগে লগে পাপৰিয়ে
দৌৰি আহি প্ৰেৰণাক কি খবৰ দিছিল ?

12. এশাৰীত উত্তৰ লিখা – **1 × 3 = 3**

(ক) প্ৰেৰণাই কিদৰে জিলমিলক সহায় কৰিব বিচাৰিছিল ?

(খ) প্ৰেৰণাই কিয় পানীৰ পৰা উঠি আহিব পৰা নাছিল ?

(গ) বিধায়কে প্ৰেৰণাক কোনদিনা সন্মানিত কৰিছিল ?